**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-12-2025 **Time :** 1340 Hrs.

***Assamese Midday NSD Bulletin***
***HEADLINES***

১। মানৱ অধিকাৰক সুৰক্ষা প্ৰদান কৰাই নহয়, বৰং সন্মান কৰা এখন ৰাষ্ট্ৰৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। চৰকাৰে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৬০ টা ৰে’ল ষ্টেচনৰ কাম সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰিছে।

৩। ভাৰতৰ প্ৰধান সাংস্কৃতিক আৰু আধ্যাত্মিক উৎসৱসমূহৰ অন্যতম দীপাৱলীক UNESCO-ৰ মানৱতাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধি তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

৪। ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হৈছে।

আৰু

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত হ’ব।

০০০০০০০

মানৱ অধিকাৰক সুৰক্ষা প্ৰদান কৰাই নহয়, বৰং সন্মান কৰা এখন ৰাষ্ট্ৰৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত মানৱ অধিকাৰ দিৱসৰ অনুষ্ঠান আৰু নিত্য আৱশ্যকতা নিশ্চিতকৰণ সম্পৰ্কীয় ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মৰ্যাদাৰ সৈতে কেতিয়াও আপোচ কৰিব পৰা নাযায় আৰু কোনো ব্যক্তিকে তেওঁৰ অধিকাৰৰ পৰা বঞ্চিত কৰা উচিত নহয়। মানৱ অধিকাৰ দিৱসে ন্যায্য, সমতাপূৰ্ণ আৰু দয়াশীল সমাজত পৃষ্ঠভূমি গঢ়ি তোলে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ কয়, যে ন্যায় প্ৰতিগৰাকী ব্যক্তিৰ জন্মস্বত্ব অধিকাৰ। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতে মানৱ অধিকাৰৰ গোলকীয় পৰিকাঠামো গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সংবিধান সভাৰ ১৫ গৰাকী মহিলা সদস্যৰ ভিতৰত অন্যতম হংসা মেহতাই সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰৰ খচৰা প্ৰস্তুত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ স্বাধীনতা সংগ্ৰামীসকলে মানৱীয় গৰিমা, সমতা আৰু ন্যায় আধাৰিত বিশ্বৰ কল্পনা কৰিছিল। তেওঁ কয়, যে বিভিন্ন ফলপ্ৰসূ চৰকাৰী আঁচনি, মহিলাৰ অৰ্থনৈতিক অংশগ্ৰহণ আৰু মৰ্যাদাৰ মাধ্যমেৰে দেশ আত্মনিৰ্ভৰশীলতাৰ দিশে আৰু এঢাপ আগুৱাইছে।

১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ লগত সংগতি ৰাখি ১৯৫০ চনৰ পৰা ১০ ডিচেম্বৰৰ দিনটো মানৱ অধিকাৰ দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০০০০০

ভাৰতবৰ্ষক দক্ষ প্ৰতিষ্ঠান আৰু সহানুভূতিশীল শাসন ব্যৱস্থাৰ মাধ্যমেৰে প্ৰতিগৰাকী নাগৰিকৰ মৰ্যাদা সুনিশ্চিত কৰিব পৰা এখন ৰাষ্ট্ৰৰূপে গঢ়ি তোলাটো দেশৰ ভৱিষ্যতৰ আকাংক্ষা বুলি প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব ড° পি কে মিশ্ৰাই প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত মানৱ অধিকাৰ দিৱস আৰু নিত্য আৱশ্যকতা পূৰণ সম্পৰ্কীয় ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি ড° মিশ্ৰাই সুশাসনক জৰুৰী অধিকাৰ বুলি অভিহিত কৰে। তেওঁ লগতে সুশাসনৰ বাবে দক্ষ ব্যৱস্থা, স্বচ্ছ প্ৰক্ৰিয়া আৰু জনসাধাৰণৰ প্ৰতি সন্মান তথা সহানুভূতি থকা প্ৰতিষ্ঠান জৰুৰী বুলি মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিগৰাকী যোগ্য ব্যক্তিয়ে উপকাৰ লাভ কৰাটো বিচাৰে। তেওঁ কয়, যে ২০১৪ চনৰ পাছৰে পৰা চৰকাৰে সমাজৰ একেবাৰে শেষৰগৰাকী ব্যক্তিয়েও বিভিন্ন আঁচনিৰ সুফল লাভ কৰাটোত গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানসচিবগৰাকীয়ে কয়, যে ১৯৪৮ চনত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাই মৰ্যাদাৰ এটা উমৈহতীয়া শব্দাৱলী প্ৰদান কৰিছিল আৰু এইক্ষেত্ৰত ভাৰতে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে।

০০০০০০০০০

চৰকাৰে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৬০ টা ৰে'ল ষ্টেচনৰ কাম সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই আঁচনিখনৰ অধীনত উন্নয়নৰ বাবে এহেজাৰ ৩০০ টাৰো অধিক ষ্টেচন চিনাক্ত কৰা হৈছে। তেওঁ কয়, যে চৰকাৰে ৰে'ল ষ্টেচনসমূহত যাত্ৰী বিশ্ৰাম ক্ষেত্ৰ, যাত্ৰী প্ৰেক্ষাগৃহ, যান-বাহন ৰখোৱা ঠাই নিৰ্মাণ কৰি যাত্ৰীৰ সা-সুবিধা উন্নত কৰাৰ বাবে আৰু ৰে'লৰে ষ্টেচনলৈ যাত্ৰা সুগম কৰি তোলাৰ বাবে কাম কৰি আছে। যাত্ৰীৰ সুৰক্ষাৰ বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰি ষ্টেচনসমূহৰ পুনৰ নিৰ্মাণৰ কাম কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০০

ভাৰতৰ প্ৰধান সাংস্কৃতিক আৰু আধ্যাত্মিক উৎসৱসমূহৰ অন্যতম দীপাৱলীক আজি ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা UNESCO-ৰ মানৱতাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিনিধি তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ শেখাৱটে এই কথা সদৰি কৰি কয়, যে এয়া প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সঁচাকৈ আবেগিক ক্ষণ। তেওঁ কয়, যে পোহৰৰ উৎসৱ দীপাৱলী অকল উদযাপন কৰাই নহয়, বৰং প্ৰজন্ম প্ৰজন্ম ধৰি ইয়াক অনুভৱ কৰি অহা হৈছে। শ্ৰী শেখাৱটে কয়, যে এই স্বীকৃতিৰ জৰিয়তে দীপাৱলীৰ প্ৰতি অকল সন্মান ব্যক্ত কৰাই নহয়, বৰং পোহৰৰ উৎসৱৰ জীৱন্ত ঐতিহ্য অক্ষুণ্ণ ৰখাৰ দায়িত্বৰ বিষয়েও সোঁৱৰাই দিয়ে।

০০০০০০০০০

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হৈছে। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ বহু লোকে জীৱন হেৰুৱাইছিল। বহু লোক কাললৈ ঘূণীয়া হৈছিল। ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ'ল আৰু তেওঁলোকৰ

তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ'ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৰত শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ল আৰু এই কাম সম্পূৰ্ণ হৈ উঠিল। এই ছহিদ স্মাৰকত মুঠ ৮৬০গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে। অৱশেষত শ্বহীদসকলৰ ত্যাগৰ প্ৰতি প্ৰদৰ্শন কৰা এই স্বীকৃতিয়ে শ্বহীদ পৰিয়ালসমূহক আনন্দিত কৰি তুলিছে। ১৯৭৯ চনৰ আজিৰ দিনটোতে ভৱানীপুৰত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা খৰ্গেশ্বৰ তালুকদাৰৰ স্মৃতিত শ্ৰদ্ধা জনাই এই দিনটোক শ্বহীদ দিৱস হিচাপে পালন কৰিবলৈ লোৱা হৈছিল। শ্বহীদ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কিছু সময়ৰ পূৰ্বে পশ্চিম বৰাগাঁৰত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰৰ উদ্বোধন কৰে। অসমত আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে।

অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জিলা প্ৰশাসনৰ উদ্যোগত ভিন্ন কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহীদ দিৱসৰ কাৰ্যসূচীত সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত গান্ধী খেলপথাৰ, কুঁৱৰীটোলত অনুষ্ঠিত হৈছে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰঙিয়া সম জিলাৰ সহযোগত ৰঙিয়া মহাবিদ্যালয় খেল পথাৰত দিনৰ ১১ বজাৰ পৰা শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত গোৱালপাৰা চহৰৰ পি আৰ চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হৈছে। ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগতো প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰিবলৈ লোৱা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্বহীদ দিৱস উপলক্ষে অসম আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰসকলক স্মৰণ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ কয় যে দেশৰ ইতিহাসত অসম আন্দোলনৰ বিশেষ স্থান আছে। অসম আন্দোলনত অংশগ্ৰহণ কৰাসকলৰ সপোন পূৰ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ দোহাৰে। তেওঁ কয় যে ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ণ তথা সংস্কৃতি শক্তিশালী কৰি তোলাত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে।

০০০০০০০০০

নৰেন্দ্ৰ মোদী চৰকাৰৰ দিগদৰ্শনত নিৰ্বাচন আয়োগকে ধৰি সকলো সাংবিধানিক প্ৰতিষ্ঠানৰ কাৰ্যব্যৱস্থা অধিক স্বচ্ছ হৈ উঠা বুলি কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগ সন্দৰ্ভত ৰাহুল গান্ধীৰ মন্তব্যক সমালোচনা কৰি তেওঁ কয় যে কংগ্ৰেছৰ শাসনকালৰ বিপৰীতে বিজেপিৰ শাসনকালত সাংবিধান প্ৰতিষ্ঠানসমূহত প্ৰথমবাৰৰ বাবে স্বচ্ছতা বজাই ৰখা হৈছে। আনহাতে কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়েও নিৰ্বাচন আয়োগৰ বিৰুদ্ধে কংগ্ৰেছ নেতাগৰাকীয়ে মিছা অভিযোগ অনা বুলি প্ৰকাশ কৰে। তেওঁ কয় যে নিৰ্বাচনত পৰাজিত হ'লে কংগ্ৰেছে ই ভি এমৰ বিসংগতি তথা ভোটাৰ খেলিমেলিৰ প্ৰসংগ উত্থাপন কৰে।

০০০০০০০০০

ছিংগাপুৰে থাইলেণ্ড আৰু কম্বোডিয়াক আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰিবলৈ আহ্বান জনাইছে। দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এটা বিবৃতিত এই আহ্বান জনোৱা হৈছে। মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই বিবৃতিটোত কয় যে থাইলেণ্ড আৰু কম্বোডিয়াৰ সীমান্ত অঞ্চলত শেহতীয়াকৈ হোৱা সংঘৰ্ষ তথা এই সংঘৰ্ষত কেইবাগৰাকীও লোক হতাহত হোৱা বিষয়টোক লৈ ছিংগাপুৰ উদ্বিগ্ন। বিবৃতিটোত ছিংগাপুৰৰ নাগৰিকসকলক সংঘৰ্ষজৰ্জ অঞ্চলসমূহ ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে। উল্লেখযোগ্য যে থাইলেণ্ড আৰু কম্বোডিয়াৰ সীমান্ত অঞ্চলত চলি থকা সংঘৰ্ষৰ ফলত অঞ্চলটোৰ ৫১৪ খন বিদ্যালয়ত পাঠদান স্থগিত ৰখা হৈছে। দুয়োখন দেশৰ মাজত এখন যুটীয়া শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ দুমাহ সম্পূৰ্ণ হোৱাৰ পূৰ্বে অঞ্চলটোত পুনৰ সংঘৰ্ষ আৰম্ভ হৈছে।

ooooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত হ'ব। খেলখন কাইলৈ সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে কালি কটকত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোক ১০১ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে।

ooooooooo

সমাপ্ত